# GAUHATI UNIVERSITY

***Gopinath Bardoloi Nagar, Guwahati-781014***

**OFFICE OF THE CONTROLLER OF EXAMINATIONS**

==========================================

## জাননী

**দিনাংক ঃ ০৪-০৯-২০২২ ইং**

ইয়াৰ দ্বাৰা সংশ্লিষ্ট সকলোকে জনোৱা হ'ল যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ তিনিবছৰীয়া স্নাতক ষষ্ঠ যান্মাসিক (CBCS) কলা, বিজ্ঞান আৰু বাণিজ্য পৰীক্ষা, ২০২২ৰ ফলাফল অহা ৫ চেপ্টেম্বৰ ২০২২ তাৰিখে অনলাইন মাধ্যমেৰে ঘোষণা কৰা হ'ব। পৰীক্ষাৰ্থীসকলে পৰীক্ষাৰ ফলাফলসমূহ www.guportal.in যোগে লাভ কৰিব পাৰিব। একেদিনাই ইতিমধ্যে ঘোষিত পঞ্চম যান্মাসিক পৰীক্ষা, ২০২১ (২০২২ত অনুষ্ঠিত)ৰ উত্তৰবহী পুনৰ্মূল্যায়নৰ ফলাফলো ঘোষণা কৰা হ'ব।

এই সম্বন্ধে নিম্নলিখিত বিষয়সমূহ পৰীক্ষাৰ্থী আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ জ্ঞাতাৰ্থে অৱগত কৰা হ'ল—

(১) যিসকল পৰীক্ষাৰ্থীয়ে ষষ্ঠ যান্মাসিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ লগতে প্ৰথম যান্মাসিকৰ পৰা পঞ্চম যান্মাসিকৰ সকলো বিষয়ৰ পৰীক্ষাত উত্তীৰ্ণ হৈছে তেওঁলোকে "কনচলিডেটেদ্ গ্ৰেড্-শ্বিট্" (Consolidated Grade-Sheet) লাভ কৰিব পাৰিব।

(২) আনহাতে যিসকল পৰীক্ষাৰ্থীৰ অইন কোনো যান্মাসিকৰ কোনো বিষয়ত এৰিয়াৰ আছে, সেইসকল পৰীক্ষাৰ্থীক ষষ্ঠ যান্মাসিক পৰীক্ষাৰ ফলাফলৰ এখন পৃথক গ্ৰেড্-শ্বিট্ প্ৰদান কৰা হ'ব। এনে পৰীক্ষাৰ্থীসকলে প্ৰতিটো যান্মাসিকৰ বিষয়সমূহ সম্পূৰ্ণভাবে উত্তীৰ্ণ হোৱাৰ পিছতহে 'কনচলিডেটেদ্ গ্ৰেড্-শ্বিট্' লাভ কৰিব পাৰিব।

(৩) পঞ্চম যান্মাসিকৰ পুনৰ্মূল্যায়নৰ ফলাফল আৰু ষষ্ঠ যান্মাসিক পৰীক্ষাৰ ফলাফল বা গ্ৰেড্-শ্বিট্ সম্পৰ্কীয় যিকোনো ওজৰ-আপত্তি তৎকালে নিৰসন কৰিবলৈ ৬ চেপ্টেম্বৰ তাৰিখৰ পৰা ২৪ চেপ্টেম্বৰ, ২০২২ পৰ্য্যন্ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপ-নিয়ন্ত্ৰকৰ কাৰ্য্যালয়ৰ ভূমি মহলাত অস্থায়ীভাৱে স্থাপন কৰা "বিশেষ সহায়ক গোট"ৰ কক্ষত পাঁচখনকৈ 'হেল্প ডেস্ক'ৰ ব্যৱস্থা কৰা হ'ব, য'ত গুৱাহাটী বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ অভিজ্ঞ শিক্ষকে পৰীক্ষাৰ্থীসকলৰ দৰ্খাস্তসমূহ গ্ৰহণ কৰিব।

(৪) পৰীক্ষাৰ্থীসকলে পৰীক্ষাৰ ফলাফল বা গ্ৰেড্-শ্বিট্ সম্বন্ধীয় যিকোনো শুধৰণিৰ দৰ্খাস্ত নিম্নলিখিত ই-মেইল সমূহলৈ প্ৰেৰণ কৰিব পাৰিব— gu.dycoe@gmail.com

সমূহ পৰীক্ষাৰ্থী, অভিভাৱক আৰু সংশ্লিষ্ট সকলো পক্ষৰ কোনোৱেই যাতে আহুকালৰ সন্মুখীন হ'বলগীয়া নহয় তাৰ বাবে বিশেষভাৱে গ্ৰহণ কৰা এই ব্যৱস্থাপনাৰ লগত প্ৰয়োজন সাপেক্ষে যোগাযোগ কৰিবলৈ সকলোকে অনুৰোধ জনোৱা হ'ল।

স্বাক্ষৰ

পৰীক্ষাসমূহৰ নিয়ন্ত্ৰক (ভাৰপ্ৰাপ্ত)
গুৱাহাটী বিশ্ববিদ্যালয়।